


২২ মাৰ্চ, ২০২০
এই ভাইৰাছৰ কথা শুনিছ নে?
সিহঁতি সব বন্ধ কৰি দিব নেকি?
ফুল' বাই গণ্ড সম্প্ৰদায়ৰ এগৰাকী ৪৩ বছৰীয়া মহিলা। তেখেতে লালগড়ত শাক-পাচলিৰ বেপাৰ কৰে।
টিভিত ল'কডাউন ঘোষণা কৰাৰ পাছত বস্তিত খকা-খুন্দা পৰিৱেশ!
ফুল', আমি এই ল'কডাউনত কি কৰিম, কি খাম?
ফুল' বাইয়ে তেখেতৰ জমা পুঁজি মেলি চাই।
আমাৰ ওচৰত ৪০০০ টকা আছে; কিন্তু ৰেচন পাতি প্ৰায় শেষেই হৈছে। সিহঁতি পাচলি বেপাৰ কৰিবলৈ দিব নহয়, নিদিব জানো?
ফুল', তই বাৰু পাচলিৰ বেপাৰ কৰিবলৈ বাহিৰলৈ যাব পাৰিবি। মোৰ দৰ্জীৰ দোকানখনৰ কি হ'ব?
শাইবো আৰু মই কাম নকৰিলে আমি জীয়াই থাকিব নোৱাৰিম, বাইদেউ।
শাইবো ফুল' বাইৰ গিৰিয়েক। তেখেতে ওচৰৰ এপাৰ্টমেন্টবোৰত জাবৰ গোটোৱাৰ কাম কৰে।


২৩ মাৰ্চ
ফুল', আজি বাছ এখনো চলা নাই, তই মোৰ চাইকেলখনকে লৈ যা।
মই মাক বজাৰলৈ যোৱাত সহায় কৰিম।
সঞ্জয় ফুল' বাইৰ ১৪ বছৰীয়া ল'ৰা।
RAND
FASH
STORE
মা, সোনকাল কৰা, এইফালে যাওঁ ব'লা। ইফালৰ পৰা পুলিচৰ চাইৰেনৰ মাত আহি আছে।
মই আজিলৈকে এই ৰাস্তাবোৰ ইমান খালী দেখায়ে নাছিলোঁ!
আন বেপাৰীসকলো ইয়াতেই আছে। মন্দিৰ আৰু মছজিদো খোলা আছে।
অকল ডাঙৰ দোকান কেইখনহে বন্ধ হৈ আছে।
ফুল' বাইয়ে তেওঁৰ সহকৰ্মীসকলক দেখি যথেষ্ট পৰিমাণে সকাহ পায়!
ফুল' বাইয়ে দেখে যে আৰক্ষী বজাৰলৈ আহিছে আৰু মছজিদৰ ওচৰত ৰৈ আছে। সেই সময়তে, মন্দিৰত আৰতি কৰা আৰম্ভ হয়।


ফুল' বাইয়ে দেখে যে মছজিদৰ পৰা ওলাই অহা ১১ জন মানুহক আৰক্ষীয়ে মাৰপিট কৰি গ্ৰেপ্তাৰ কৰে।
STORE


ফুল' বাইয়ে দেখে যে হাবিলদাৰ ৰাম মিশ্ৰই মন্দিৰৰ পুৰোহিতজনক মন্দিৰ বন্ধ কৰিবলৈ কয়; কিন্তু প্ৰথমে তেওঁ মূৰ্তিৰ আগত মূৰ দোঁৱাই আৰু প্ৰসাদ গ্ৰহণ কৰে।


মন্দিৰত কাকোৱে গ্ৰেপ্তাৰ কৰা নহয়!
মা, মন্দিৰত পূজা কৰা অপৰাধ নহয়। তদুপৰি, মছজিদত বেছি মানুহ আছিল।


গ্ৰেপ্তাৰ হোৱা মুছলমান মানুহকেইজনে আৰক্ষীৰ আগত কাকুতি-মিনতি কৰে কিন্তু আৰক্ষীজনে তেওঁলোকক ল'কডাউন ভংগ কৰাৰ বাবে গালি পাৰে।


বজাৰলৈ আৰু আৰক্ষী আহিবলৈ ধৰে আৰু মাংস বেপাৰী, পাচলি বেপাৰী আদিক বাটৰ কাষৰ পৰা আঁতৰাবলৈ আৰম্ভ কৰে।
ল'কডাউন নমনাক আমি ট্ৰাকে ট্ৰাকে থানালৈ নিছোঁ।
এতিয়াই যা, নহ'লে এই দাণ্ডা মাৰি জেলত ভৰাই থ'ম!
ফুল' বাই আৰু সঞ্জয়ে তেওঁলোকৰ শাক-পাচলি সামৰি থাকোঁতেই আৰক্ষীয়ে মাংস বেপাৰী আক্ৰমক মাৰপিট কৰিবলৈ আৰম্ভ কৰে।
আপোনালোকে মোক কিয় গ্ৰেপ্তাৰ কৰিছে?
মাংস নীতিমতে "এছেনচিয়েল গুড্‌ছ"-ত আছে!
MEAT
DC-য়ে কৈছে "এছেনচিয়েল গুড্‌ছ"-ৰ অকল হোম ডেলিভাৰী কৰিবলৈহে অনুমতি আছে।
মই কেনেকৈ হোম ডেলিভাৰী কৰিম?
কৃপা কৰি বস্তুখিনি থাকিবলৈ দিয়ক
**আমি গৈছোঁ!**
এজন হাবিলদাৰে ফুল' বাইৰ পাচলিবোৰ নষ্ট কৰিবলৈ আৰম্ভ কৰে।


তই, ব'ল জেললৈ ব'ল। তোৰ কি কাৰণ আছে ল'কডাউন নমনাৰ?
কৃপা কৰি তাক যাবলৈ দিয়ক ছাৰ, আমি গৈয়েই আছোঁ!
**চুপ থাক!** তোক সকিয়নি দি এৰি দিছোঁ আজি।
তহঁতি কেতিয়াও নিয়ম নামান!
সদায় তহঁতৰ চেফটিৰ কাৰণে আমি কাম কৰিব লাগে, আনকি ভাইৰাছৰ সময়তো!
চেফটি? নিৰাপত্তা? পুলিচৰ হিংসাৰ পৰা কোন নিৰাপদ?
ফুল' বাইয়ে দেখে যে টেণ্ট হাউচৰ দোকানৰ মালিক উমাকান্তকো আৰক্ষীয়ে সকিয়নি দি এৰি দিছে।
আপুনি কেনেকৈ "এছেনচিয়েল গুড্‌ছ"ত পৰিল?


তোক মাত্ৰ সকিয়নি দি এৰি দিছোঁ। এই শ্লিপ-টো লগত ৰাখিবি, এইটো তোৰ জাননী-পত্ৰ ।
মোৰ কপালখন হয়তো ভাল!
ফুল' বাইয়ে দেখে যে আৰক্ষীয়ে ৰাস্তায়েদি অহা-যোৱা কৰা মানুহক বিচাৰ কৰি আছে। কিছুমানক যাবলৈ দিছে, কিছুমানক ৰখাই থৈছে।
পুলিচে এই সিদ্ধান্তবোৰ কেনেকৈ লৈছে?
STORE
গ্ৰেপ্তাৰ কৰা ব্যক্তিসকলক আৰক্ষীয়ে লৈ যায়।
সিহঁতে সঞ্জয়ক কেনি লৈ গৈছে? এই জাননী-পত্ৰখনৰ অৰ্থ কি?
ফুল' বাইয়ে সঞ্জয়ৰ সন্ধানত ওচৰৰ আৰক্ষী থানালৈ খোজ কাঢ়ি যায়।
পুলিচে আজিৰ সকলো পাচলি নষ্ট কৰি পেলালে। অকল ৪০০০ টকাৰে মই সঞ্জয়ক কেনেকৈ উলিয়াই আনিম?


আৰক্ষীয়ে ফুল' বাইক ৰ'বলৈ কয়।
ছাৰ, মই মোৰ মা-দেউতাৰ কাৰণে দৰৱ-পাতি কিনিবলৈ আহিছিলোঁ, মোক যাবলৈ দিয়ক, ছাৰ।
ছাৰ, মোৰ গিৰিয়েৰে মোক সদায় মাৰপিট কৰে। মই মোৰ মাৰ ঘৰলৈ যাওঁ চুবুৰীয়া জিলাত নহ'লে মই এই ল'কডাউনত থাকিব নোৱাৰিম।
আৰক্ষীয়ে দৰৱ কিনিবলৈ ওলাই অহা মানুহজন আৰু গিৰিয়েকৰ ঘৰ এৰি অহা মহিলা গৰাকীক এখন এখনকৈ জাননী-পত্ৰ দিয়ে।
তহঁতি মাস্ক নিপিন্ধাকৈ ক'ত ঘূৰি ফূৰিছ?
আমি ল'কডাউনৰ পৰিস্থিতি চাবলৈ ওলাই আহিছিলোঁ।
আৰক্ষীয়ে তিনিওজন যুৱকক জাননী-পত্ৰ দিয়ে।
ফুল' বাইয়ে দেখে যে এখন হোণ্ডা গাড়ীক পাৰ হৈ যাবলৈ দিয়া হয়।
গাড়ীখন যাবলৈ দে, সিহঁতে গেলামাল ল'বলৈ আহিছিল।
চিধা ঘৰ যা! অনাই বনাই ঘূৰি ফূৰি নাথাকিবি!


আৰক্ষীয়ে ফুল' বাইক প্ৰশ্ন সোধে আৰু তাই তেওঁলোকক জাননী-পত্ৰখন দেখায়।
মোৰ ল'ৰাটোক গ্ৰেপ্তাৰ কৰা হৈছে। মোক পুলিচ থানালৈ যাবলৈ দিয়ক, ছাৰ।


আৰক্ষীয়ে সকলোকে উঠ-বহ কৰোৱাই শাস্তি প্ৰদান কৰে।
তহঁতৰ কাৰোৰেই ল'কডাউন ভংগ কৰাৰ সন্তোষজনক কাৰণ নাই। ঘৰত থাক গৈ যা।


ফুল' বাইয়ে কোনোমতে ওচৰৰ আৰক্ষী থানা পায়গৈ।
**ইয়াৰ পৰা যা!** তোৰ ল'ৰা ইয়াত নাই। ল'কডাউন চলি আছে, ঘৰ যা!


আৰক্ষী থানাৰ বাহিৰত, দুজনমান হাবিলদাৰে হাত ধোৱা বিষয়ক নৃত্য-নাটিকা কৰি ভিডিঅ' বনাই আছে।
আকৌ এবাৰ কৰক। শেষৰ দুই ছেকেণ্ডমান অলপ ব্লাৰ আহিছে।


হতাশ আৰু চিন্তিত হৈ, ফুল' বাই ঘৰলৈ উভতি যায়।
সঞ্জয় ক'ত?
তাক গ্ৰেপ্তাৰ কৰিলে!
পুলিচে বস্তিৰ পৰাও কেইটামানক জেললৈ লৈ গৈছে।


শাইবোৰে ফুল' বাইক জনাই যে আৰক্ষীয়ে বিশেষকৈ পাৰ্ধী মানুহৰ ঘৰত মাহুৱা বিচাৰি ঘৰ লণ্ড ভণ্ড কৰে। মাহুৱা হৈছে পাৰ্ধীসকলে জীৱিকা নিৰ্বাহৰ বাবে ঘৰুৱাভাৱে তৈয়াৰ কৰা এবিধ মদিৰা জাতীয় তৰল।
ছাৰ, মই দুমাহৰ আগতেই চুলাই বিকা বন্ধ কৰিলোঁ।


আৰক্ষীয়ে তাছ পাত খেলি থকা সকলকো জুৱা খেলাৰ অপৰাধৰ অধীনত গ্ৰেপ্তাৰ কৰে।
ঘৰৰ পৰা বা বস্তিৰ পৰা বাহিৰলৈ ওলালেই সবকে জেইলৰ ভাত খোৱাম!


নাকান্দিবি ফুল', সঞ্জয় গণ্ড যে, সেইকাৰণেই! আমাৰ সমাজৰ মানুহৰ লগত সদায় এইটোৱেই হয়। মোকো দেখোন সিহঁতি এনেই এনেই জেলত ভৰাই থৈছিলে কিন্তু মইতো ঠিকেই আছোঁ। সিও ঠিকেই থাকিব।


কিয় আমাৰ আদিবাসীৰ কপাল সদায় ফুটা? কিয় সদায় পুলিচে অমাক এনেই হাৰাশাস্তি কৰে? মই মোৰ ল'ৰাক কেনেকৈ উলিয়াই আনিম?


ল'কডাউন নমনাৰ সন্তোষজনক কাৰণ কি পুলিচৰ মতে? আমি আমাৰ পৰিয়ালৰ বাবে খাবলৈ কাম নকৰিম নেকি?


২০ মে'
আক্ৰম ঘূৰি আহিছে নেকি?
সি হয়তো জেলতে আছে, ফুল' বাইৰ ল'ৰাটোৰ লগত।
ল'কডাউন উঠাই দিয়াৰ পাছত ফুল' বাই বজাৰলৈ উভতি আহে।


কাইলৈ পেট ভৰাই খাব পৰাকৈ আজি আমাৰ বিক্ৰী হ'লেই হয়।
ফুল' বাইয়ে এতিয়াও জাননী-পত্ৰখন নিজৰ লগত লৈ ফূৰে, এতিয়াও নুবুজাকৈয়ে সেইখনৰ অৰ্থ কি?